Total No. of Printed Pages—8

**HS/XII/A. Sc. Com/A/22**

**2022**

# ASSAMESE

**( Modern Indian Language )**

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A (Objective Questions) serially.

(iii) Attempt all parts of a question together at one place.

( PART : A—OBJECTIVE )

( *Marks* : 50 )

SECTION—I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (**এটা** বা **দুটা** শব্দেৰে) (যি কোনো **দহটা**) : ১×১০=১০

(ক) ড০ বাণীকান্ত কাকতিৰ যি কোনো এখন গ্ৰন্থৰ নাম লিখা।

(খ) ডান্টে কিমান বছৰ বয়সত বিয়েট্ৰীচক দেখা পাইছিল?

(গ) চণ্ডীদাসৰ প্ৰীতি থকা বুলি উল্লেখ থকা ধুবুনীগৰাকীৰ নাম কি আছিল?

(ঘ) 'অসমীয়া বৈষ্ণৱ কবিৰ নাৰদ' পাঠটো কোনখন পুথিৰ অন্তৰ্গত?

(ঙ) 'মহাভাৰত' কোনে ৰচনা কৰিছিল?

(চ) 'পাৰিজাত হৰণ' কাৰ ৰচনা?

(ছ) সাহিত্যৰ সম্বন্ধ প্ৰধানকৈ কিহৰ লগত?

(জ) মিল্টন কোন?

(ঝ) ভবেন্দ্ৰনাথ শইকীয়াৰ যি কোনো এখন গল্প-পুথিৰ নাম লিখা।

(ঞ) জয়ন্তী কাৰ ঘৰৰ কাম কৰা ছোৱালী?

(ট) 'ইন্দ্ৰদ্যুম্ন ৰজাৰ যজ্ঞ আয়োজন' কবিতাটো কাৰ ৰচনা?

(ঠ) নলিনীবালা দেৱীয়ে সাহিত্য অকাডেমী বঁটা লাভ কৰা কবিতাপুথিখনৰ নাম কি?

(ড) 'বুভুক্ষা' মানে কি?

(ঢ) 'চিৰাজ' নাটকৰ নাট্যকাৰ কোন?

(ণ) আঘোণা কোন আছিল?

২। শুদ্ধ নে অশুদ্ধ লিখা (যি কোনো **পাঁচটা**): ১×৫=৫

(ক) সাধাৰণতে সাহিত্য বুলিলে কিতাপক বুজায়।

(খ) চণ্ডীদাসৰ জন্ম হৈছিল ইটালীত।

(গ) 'উৰেষা বৰ্ণন' 'নামঘোষা'ৰ অন্তৰ্গত।

(ঘ) জয়ন্তী ৰমাৰ ঘৰৰ বিয়ালৈ আহিছিল।

(ঙ) ৰবীন্দ্ৰনাথ ঠাকুৰ বাংলা কবি।

(চ) চিত্ৰলেখা ঊষাৰ সখীয়েক আছিল।

(ছ) ভাৰতবৰ্ষত ভাগৱত ধৰ্মৰ আদিগুৰু নাৰদ।

৩। পাঠ্যপুথিত থকাৰ দৰে উপযুক্ত শব্দৰে খালী ঠাই পূৰণ কৰি সম্পূৰ্ণ বাক্যশাৰী উত্তৰ-বহীত লিখা (যি কোনো **পাঁচটা**): ১×৫=৫

(ক) জগতৰ ক্ৰান্তিবোৰৰ _____ আছিল সাহিত্য।

(খ) সাধাৰণ ভাষাত _____ কবিৰ প্ৰেয়সীস্বৰূপ আছিল।

(গ) হৰিবংশত _____ দূতালি অলপ বেছি হৈছে।

(ঘ) জয়ন্তীৰ _____ বিষাইছে।

(ঙ) বিন্ধ্য পৰ্ব্বতক যাহা ৰাজাগণ লই।
ভদ্ৰতৰ শিলাক _____ আনাগৈ।।

(চ) সসীমৰ ৰূপতৃষ্ণা অসীমত বুৰ যাব খহি গ'লে জৰী _____।

(ছ) মই নাহোঁ মই নাহোঁ এবাৰেই _____ গুচি গ'লোঁ মই।

## SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ উত্তৰ-বহীত লিখা (প্ৰতিটো উত্তৰ **তিনিৰ** পৰা **ছয়** শাৰীৰ ভিতৰত) : ৩×১০=৩০

(ক) ডাণ্টেক কিয় স্বদেশৰ পৰা নিৰ্বাসিত কৰা হৈছিল?

(খ) 'সহজীয়া সম্প্ৰদায়' বুলিলে কি বুজা?

(গ) অসমীয়া সাহিত্যৰ চাৰি বেদৰ নাম লিখা।

(ঘ) 'ভাগৱত'ত নাৰদৰ চৰিত্ৰ কেনেদৰে বৰ্ণনা কৰা হৈছে, চমুকৈ লিখা।

(ঙ) সাহিত্য বুলিলে কি বুজা, আভাস দিয়া।

(চ) ভবেন্দ্ৰনাথ শইকীয়াৰ তিনিখন গ্ৰন্থৰ নাম লিখা।

(ছ) শঙ্কৰদেৱৰ তিনিখন নাটকৰ নাম লিখা। ১+১+১=৩

(জ) চতুৰংগ সেনাৰ নাম লিখা।

(ঝ) ইন্দ্ৰদ্যুম্ন ৰজাই কলিংগপতিক বিন্ধ্য পৰ্বতলৈ কাক লৈ, কিয় যাবলৈ কৈছিল?

(ঞ) জগতত কবিয়ে স্থায়ী মৰমৰ সন্ধান পালেনে, পাঠ্যৰ আধাৰত লিখা।

(ট) কবিয়ে নিজৰ জীৱনটোক বিফল বুলি কোৱাৰ কাৰণ চমুকৈ লিখা।

(ঠ) 'অচিনা' কাৰ ৰচনা? তেওঁৰ ৰচিত 'কুকুৰ' কবিতাত কোন দুদল কুকুৰৰ কথা কৈছে? ১+১+১=৩

(ড) নৰকান্ত বৰুৱাৰ তিনিখন গ্ৰন্থৰ নাম লিখা।

(ঢ) কন্দৰ্পই সাবিত্ৰীক বিয়া কৰাব নোৱাৰাৰ কাৰণ কি আছিল?

(ণ) 'চিৰাজ' নাটকৰ তিনিটা পুৰুষ চৰিত্ৰৰ নাম লিখা।

## ( PART : B—DESCRIPTIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা: ৭

(ক) 'অসমীয়া বৈষ্ণৱ কবিৰ নাৰদ' নামৰ ৰচনাখনিৰ জৰিয়তে নাৰদ চৰিত্ৰৰ বিষয়ে এটি টোকা লিখা।

(খ) ''বিশ্বজনীনতা সাহিত্যৰ এটা ডাঙৰ লক্ষণ''—কথাষাৰ বুজাই লিখা।

(গ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা:

'তেতিয়াৰ পৰা তেওঁৰ সকলো ধ্যান, চিন্তা এই উদ্দেশ্যই নিহিত হৈছিল।'

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা: ৭

(ক) 'নাটঘৰ' কবিতাৰ মূলভাৱ লিখা।

(খ) 'কুকুৰ' প্ৰতীকটোৰে কবিয়ে কি ক'বলৈ বিচাৰিছে, পাঠ্যৰ আধাৰত বিশ্লেষণ কৰা।

(গ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা:

দৌল সাজি দেৱতাক থাপিবো সম্প্ৰতি।
হেন শুনি চলি গেলা কলিংগ নৃপতি।।
মন্ত্ৰীক মাতিয়া পাছে ৰাজা আদেশয়।
চাৰিয়ো দিশক লাগি পাঞ্চা দূতচয়।।

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা: ৬

(ক) সামাজিক নাটক হিচাপে 'চিৰাজ' নাটকৰ এটি আলোচনা আগবঢ়োৱা।

(খ) ''ফুলনিতকৈ ফুল চিঙি থকা জনী আৰু ধুনীয়া।''—উক্ত কথাষাৰ কোনে, কাক, কি প্ৰসংগত কৈছিল, বৰ্ণনা কৰা। ১+১+৪=৬

(গ) 'চিৰাজ' নাটকৰ কাহিনীত বিশেষ গুৰুত্বপূৰ্ণ দুটা নাৰী চৰিত্ৰৰ চমু পৰিচয় দিয়া। ৩+৩=৬

## ( ব্যাকৰণ ভাগ )

৮। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **চাৰিটা**): ১×৪=৪

(ক) খাবলৈ অনা কলপুলি

(খ) যি আনৰ অধীন নহয়

(গ) গোটেই জীৱনব্যাপী

(ঘ) গৰু বন্ধা ঘৰ

(ঙ) ধান থোৱা ঘৰ

(চ) শৰৎকালত হোৱা অনুষ্ঠান

৯। ভাব-সম্প্ৰসাৰণ কৰা (যি কোনো **এছোৱা**): ৪

(ক) যি মূলা বাঢ়ে দুপাততে চিন।

(খ) এপাচি শাকত এটা জালুক।

(গ) হৰিণাৰ মাংসই বৈৰী।

১০। তলৰ খণ্ডবাক্যকেইটাৰে অৰ্থপূৰ্ণ বাক্য-ৰচনা কৰা (যি কোনো **তিনিটা**): ১×৩=৩

আলাসৰ লাড়ু; ধোদৰ পচলা; পানীৰ তলৰ কাঁইট; কপাল ফুল; জাকত জিলিকা; চকু চৰহা।

১১। তলৰ শব্দকেইটাৰ প্ৰত্যয় ভাঙি দেখুওৱা (যি কোনো **চাৰিটা**): ১×৪=৪

গাঁৱলীয়া; ৰান্ধনী; বুদ্ধিয়ক; ফুলাম; লিখক; সোণালী; উজনি।

১২। বিভক্তি কাক বোলে? বিভক্তি কেইপ্ৰকাৰৰ আৰু কি কি? প্ৰত্যেকৰে একোটাকৈ উদাহৰণ দিয়া। ১+২+২=৫

১৩। তলৰ যি কোনো **এটা** বিষয়ৰ এখন ৰচনা লিখা : ১০

(ক) তোমাৰ এটি ভ্ৰমণ কাহিনী

(খ) ক'ৰনা ভাইৰাছ আৰু শৈক্ষিক পৰিবেশত ইয়াৰ প্ৰভাৱ

(গ) তোমাৰ ভাল লগা এখন গ্ৰন্থ

(ঘ) নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

(ঙ) বিজ্ঞানৰ অৱদান

★ ★ ★